*Total number of printed pages–4*

**3 (Sem – 4/CBCS) ASM SE 1**

**2026**

# ASSAMESE

( Skill Enhancement Course )

Paper : ASM–SE–4014

***( Srijanimulak Sahitya )***

*Full Marks : 50*

Time : Two hours

***The figures in the margin indicate full marks for the questions.***

১। এটা শব্দ *বা* বাক্যত উত্তৰ দিয়া ঃ *(যিকোনো চাৰিটা)* ১×৪=৪

(ক) গল্পৰ আৰম্ভণি কেনেদৰে হয়?

(খ) গল্পৰ প্ৰধান উপাদান কি?

(গ) "কবিতা হ'ল শব্দৰ খেল" বুলি কোনে কৈছিল?

(ঘ) আধুনিক অসমীয়া কবিতাত ব্যৱহৃত এটি ছন্দৰ নাম লিখা।

(ঙ) সৃজনীমূলক ৰচনাৰ প্ৰধান উপাদান কি?

(চ) কল্পনা শক্তি বৃদ্ধিৰ বাবে প্ৰয়োজনীয় এটি কার্য কি?

(ছ) ইংৰাজ কবি ক'লেৰিজৰ মতে কল্পনাৰ ভাগ কেইটা?

(জ) কল্পনাৰ প্ৰাথমিক উপাদান কি?

২। চমুকৈ উত্তৰ দিয়া ঃ *(যিকোনো তিনিটা)* ২×৩=৬

(ক) গল্পকাৰসকলে ক্ষেত্ৰ অধ্যয়নৰ পৰা লাভ কৰিব পৰা *দুটা* সুফল কি কি?

(খ) গল্প আৰু কবিতাৰ *দুটা* পার্থক্য লিখা।

(গ) আধুনিক কবিতাৰ ভাষাৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) ৰোমাণ্টিক আৰু সাম্প্ৰতিক কবিতাৰ *দুটা* পার্থক্য উল্লেখ কৰা।

(ঙ) সৃজনীমূলক সাহিত্য ৰচনাৰ বাবে লেখকৰ প্ৰয়োজনীয় *দুটা* অর্হতাৰ বিষয়ে উল্লেখ কৰা।

(চ) কল্পনাৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

৩। চমু টোকা লিখা ঃ *(যিকোনো দুটা)* ৫×২=১০

(ক) গল্পৰ প্লট

(খ) গল্পৰ আংগিক

(গ) আধুনিক কবিতাৰ ছন্দৰীতি

(ঘ) আধুনিক কবিতাত প্ৰতীকৰ ব্যৱহাৰ

(ঙ) কল্পনাৰ প্ৰকাৰ

(চ) সৃষ্টিশীল লেখাত কল্পনাৰ গুৰুত্ব

৪। *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৩=৩০

(ক) সৃষ্টিশীল লেখকৰ বাবে ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(খ) গল্পৰ উপাদানসমূহ কি কি, বহলাই আলোচনা কৰা।

(গ) আধুনিক কবিতাত দ্বিতীয় বিশ্বযুদ্ধৰ দ্বাৰা প্ৰভাৱিত সমাজ-জীৱনৰ ছবিখন কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(ঘ) আধুনিক কবিতাৰ অন্যতম বৈশিষ্ট্য 'অর্থ ঘনত্ব' সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(ঙ) আধুনিক কবিতাৰ এটি সংজ্ঞা দাঙি ধৰি ইয়াৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা।

(চ) সৃষ্টিশীল ৰচনাৰ বাবে লেখকে আহৰণ কৰিবলগীয়া যোগ্যতা সম্পৰ্কে আলোচনা কৰা।

(ছ) কল্পনাৰ কর্ষণ বুলিলে কি বুজা? কল্পনা কর্ষণৰ বিভিন্ন উপায়সমূহৰ বিষয়ে বিৱৰি লিখা।

(জ) কল্পনাৰ এটি ধাৰণা ব্যক্তি কৰি কবিতাত কল্পনাৰ স্থান সম্পৰ্কে বহলাই লিখা।